**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

::::::::::::::::::::::::::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজস্থানৰ জয়ছলমেৰত **বায়ু শক্তি** শীৰ্ষক ভাৰতীয় বায়ুসেনাৰ অনুশীলন প্ৰত্যক্ষ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে বিকশিত ভাৰতৰ বাবে প্ৰযুক্তি, সংস্কাৰ আৰু বিত্ত শীৰ্ষক বাজেটোত্তৰ ৱেবিনাৰত ভাষণ দিব।

৩। কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেই চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

৪। নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টী-এন চি পিয়ে মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী সুনেত্ৰা পাৱাৰক দলৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে সৰ্বসন্মতি ক্ৰমে নিৰ্বাচিত কৰিছে।

*আৰু*

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰতে জিম্বাব'ৱেক ৭২ ৰানত পৰাজিত কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজস্থানৰ জয়ছলমেৰত **বায়ু শক্তি** শীৰ্ষক ভাৰতীয় বায়ুসেনাৰ অনুশীলন প্ৰত্যক্ষ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দুদিনীয়া ভ্ৰমণসূচীৰে কালি সন্ধিয়া ৰাজস্থানত উপস্থিত হয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই অনুশীলনৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে **প্ৰচণ্ড** নামৰ থলুৱাভাৱে নিৰ্মিত এখন হেলিকপ্তাৰত চমু উৰণ কৰিব। উল্লেখযোগ্য যে, প্ৰচণ্ড হৈছে থলুৱাভাৱে বিকশাই তোলা দেশৰ প্ৰথমখন যুদ্ধ হেলিকপ্তাৰ। ইয়াৰ পাছত সন্ধিয়াৰ ভাগত ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত-পাকিস্তান সীমান্তৰ সমীপৰ পোখৰান ফিল্ড ফায়াৰিং ৰেঞ্জত বায়ুসেনা বাহিনীৰ বিশাল বায়ুশক্তি প্ৰদৰ্শন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুশীলনত ভাৰতীয় বায়ু সেনা বাহিনীৰ বিভিন্ন বিমানে নিজ নিজ কাৰ্যদক্ষতা প্ৰদৰ্শন কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ লগতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাও এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে "বিকশিত ভাৰতৰ বাবে প্ৰযুক্তি, সংস্কাৰ আৰু বিত্ত" শীৰ্ষক উত্তৰ বাজেট ৱেবিনাৰত ভাষণ দিব। ৱেবিনাৰত ৰাজহুৱা মূলধন ব্যয়, আন্তঃগাঁথনি, বেংকিং খণ্ডৰ সংস্কাৰ, বিত্তীয় খণ্ডৰ

স্থাপত্য  আৰু কৰ সংস্কাৰৰ জৰিয়তে জীৱন-যাপনৰ স্বাচ্ছন্দ্যতা সন্দৰ্ভত আলোচনা কৰা হ'ব।

এইখন কেন্দ্ৰীয় বাজেট ২০২৬-২৭ৰ মূল বিষয়বস্তু সন্দৰ্ভত আয়োজিত উত্তৰ বাজেট ৱেবিনাৰ শৃংখলাৰ প্ৰথমখন ৱেবিনাৰ। এই ৱেবিনাৰসমূহৰ লক্ষ্য হৈছে অতীতৰ অভিজ্ঞতাৰ পৰা শিক্ষা লোৱা আৰু অংশগ্ৰহণকাৰীসকলৰ পৰা গাঁথনিগত মতামত লাভ কৰা যাতে বিভিন্ন অংশীদাৰসকলৰ ব্যৱহাৰিক অভিজ্ঞতা আৰু অন্তৰ্দৃষ্টিৰ আধাৰত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট ঘোষণাসমূহৰ ফলাফলমুখী ৰূপায়ণ শক্তিশালী আৰু নিশ্চিত কৰা হয়। ৱেবিনাৰখনত  উদ্যোগ, বিত্তীয় প্ৰতিষ্ঠান, বজাৰ অংশগ্ৰহণকাৰী, চৰকাৰ, উদ্যোগ নিয়ন্ত্ৰক আৰু শিক্ষাবিদসকলৰ অংশীদাৰসকলক একত্ৰিত কৰি মূল বাজেট ঘোষণাৰ বাবে ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত  আলোচনা কৰা হ'ব ।

০০০০

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নেই চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব  প্ৰধানমন্ত্ৰী কাৰ্নেইৰ প্ৰথম ভাৰত ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তি যোগে প্ৰকাশ কৰা অনুসৰি শ্ৰী কাৰ্নেই আজি মুম্বাইত উপস্থিত হ'ব। পৰৱৰ্তী দুটা দিনত তেওঁ কেইবাখনো ব্যৱসায়িক আলোচনাত মিলিত হোৱাৰ লগতে ভাৰত আৰু কানাডাৰ মুখ্য কাৰ্যবাহী বিষয়া, উদ্যোগ আৰু বিত্তীয় বিশেষজ্ঞ, উদ্ভাৱকসকলৰ সৈতে মত বিনিময় কৰিব।

পহিলা মাৰ্চত প্ৰধানমন্ত্ৰী কাৰ্নে নতুন দিল্লীত উপস্থিত হ'ব। পিছদিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কানাডাৰ প্ৰধানমন্ত্ৰীগৰাকী হায়দৰাবাদ হাউচত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত-কানাডা কৌশলগত অংশীদাৰিত্বৰ বিভিন্ন দিশৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিব। তেওঁলোকে লগতে বাণিজ্য আৰু বিনিয়োগ, শক্তি, খনি, কৃষি, শিক্ষা, গৱেষণা আৰু উদ্ভাৱন আদি বিভিন্ন ক্ষেত্ৰত দেশ দুখনৰ মাজৰ বৰ্তমানৰ সহযোগিতা সন্দৰ্ভতো আলোচনা কৰিব। দুয়োগৰাকী নেতাই আঞ্চলিক আৰু গোলকীয় বিষয়সমূহকলৈও মত বিমিনয় কৰিব। তেওঁলোকে লগতে ভাৰত-কানাডা মুখ্য কাৰ্যবাহী বিষয়াসকলৰ মঞ্চতো অংশগ্ৰহণ কৰাৰ কথা আছে।

আমাৰ সংবাদদাতাই জনোৱা মতে তেওঁৰ এই ভ্ৰমণে ভাৰত আৰু কানাডাৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০

নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টী-এন চি পিয়ে মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী সুনেত্ৰা পাৱাৰক দলৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে সৰ্বসন্মতি ক্ৰমে নিৰ্বাচিত কৰিছে। মুম্বাইৰ ৱৰ্লিত কালি অনুষ্ঠিত এন চি পিৰ ৰাষ্ট্ৰীয় অভিৱৰ্তনত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দলে লগতে ৰাজ্যসভা নিৰ্বাচনৰ বাবে অজিত পাৱাৰৰ পুত্ৰ পাৰ্থ পাৱাৰক প্ৰাৰ্থী হিচাপে ঘোষণা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি সুনেত্ৰা পাৱাৰে তেওঁৰ নেতৃত্বৰ প্ৰতি দলৰ জ্যেষ্ঠ নেতা আৰু অন্যান্য কৰ্মকৰ্তাসকলে দেখুওৱা বিশ্বাসৰ বাবে সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয়, যে অজিত পাৱাৰৰ মৃত্যুৱে সৃষ্টি কৰা শূন্যতা সদায় তেওঁৰ অন্তৰত থাকিব। তেওঁ লগতে কয়, যে কৃষকসকল হৈছে দলৰ

আদৰ্শৰ মূল কেন্দ্ৰবিন্দু আৰু এন চি পিয়ে সদায় আধুনিক প্ৰযুক্তি তথা কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে কৃষি খণ্ডক অধিক লাভজনক কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব।

০০০০

কৃত্ৰিম বুদ্ধিমত্তাই বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ পৰিৱৰ্তনশীল ভূমিকা পালন কৰিছে। নতুন দিল্লীত সদ্য সমাপ্ত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাব সন্মিলনত নিৰ্মাণ খণ্ডৰ পৰা স্বাস্থ্য সেৱা, কৃষি আদি বিভিন্ন ক্ষেত্ৰত প্ৰগতিৰ ব্যৱস্থাই কিদৰে উদ্যোগ খণ্ডক নতুন ৰূপ দিছে সেই সন্দৰ্ভত আলোকপাত কৰা হয়। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত য়ঙ্‌বেটাৰৰ প্ৰতিনিধি কাৰ্তিক পাণ্ডিয়াই কয়, যে এই সন্মিলনত তেওঁৰ দলে মধ্য প্ৰদেশৰ প্ৰথমটো থ্ৰি ডি-প্ৰিণ্টেড মানৱ ৰবট প্ৰদৰ্শন কৰিছিল। তেওঁ কয়, যে এই ৰবটটোৱে মানুহৰ সৈতে কথা পতাৰ লগতে বিভিন্ন কাম কৰিব পাৰে।

০০০০

নাগালেণ্ডত কালি উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথম ধানৰ উৎসৱ আৰম্ভ হৈছে । ইণ্ডিয়ান নেচনেল ট্ৰাষ্ট ফৰ আৰ্ট এণ্ড কালচাৰেল হেৰিটেজ (INTACH)ৰ উদ্যোগত ৰাজ্যখনৰ কৃষি বিভাগ আৰু উত্তৰ-পূৰ মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত এই দুদিনীয়া অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

এই মহোৎসৱ উদ্বোধন কৰি নাগালেণ্ড চৰকাৰৰ কৃষি উপদেষ্টা স্মাথুং ইয়ান্থুনে অনুষ্ঠানটোক ‘ঐতিহাসিক’ বুলি অভিহিত কৰি উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ বাবে ধানৰ সাংস্কৃতিক তাৎপৰ্য সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। উত্তৰ-পূবক কৃষি জৈৱ বৈচিত্ৰ্যৰ বিশ্বব্যাপী স্বীকৃতিপ্ৰাপ্ত মূলকেন্দ্ৰ হিচাপে উল্লেখ কৰি শ্ৰী ইয়ান্থুনে কয় যে কেৱল নাগালেণ্ডত ২০০ৰো অধিক চিনাক্তকৃত থলুৱা ধানৰ জাত আছে, যিবোৰ প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি বিভিন্ন জলবায়ুৰ লগত খাপ খাই পৰিছে।

তেওঁ কৃষি ক্ষেত্ৰত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ ওপৰতো উদ্বেগ প্ৰকাশ কৰে তথা জলবায়ুৰ প্ৰতি স্থিতিস্থাপক, উচ্চ উৎপাদনক্ষম ধানৰ জাতৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। নাগালেণ্ডৰ নতুন কৃষি নীতি ২০২৬ এ কেবিনেটৰ অনুমোদন লাভ কৰিছে আৰু এই নীতি শীঘ্ৰে কাৰ্যকৰী হ’ব বুলি উপদেষ্টাগৰাকীয়ে লগতে উল্লেখ কৰে । তেওঁ বীজৰ ঐতিহ্য সংৰক্ষণ, কৃষকক সহায় কৰা, যুৱক-যুৱতীসকলক সবলীকৰণ কৰা, আৰু সমগ্ৰ অঞ্চলটোত ধানভিত্তিক জীৱিকা বজাই ৰখাৰ সামূহিক দায়িত্বৰ ক্ষেত্ৰত দৃঢ়তা প্ৰকাশ কৰে ।

দুদিনীয়া এই মহোৎসৱত কাৰিকৰী অধিবেশন, শিল্প আৰু উত্তৰ-পূবৰ সকলো ৰাজ্যৰ অংশগ্ৰহণেৰে এখন বজাৰ অনুষ্ঠিত কৰা হয়।

০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰতে জিম্বাব'ৱেক ৭২ ৰানত পৰাজিত কৰে। ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ২৫৭ ৰানৰ বিশাল লক্ষ্যৰে খেল আৰম্ভ কৰি জিম্বাব'ৱেই নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰত হৈ হৰ্ষদীপ সিঙে তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে জিম্বাব'ৱেই টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২৫৬ ৰান সংগ্ৰহ কৰে। হাৰ্ডিক পাণ্ডিয়াই ৫৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। তিলক বাৰ্মাই ৪৪ আৰু অ'পেনিং বেটছ্‌মেন অভিষেক শৰ্মাই ৫৫  ৰানৰ বৰঙণি আগবঢ়ায়।

ভাৰতে ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত অহা দেওবাৰে ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব।

কালি অনুষ্ঠিত আন এখন খেলত দক্ষিণ আফ্ৰিকাই ৱেষ্ট ইণ্ডিজক ৯ উইকেটত পৰাজিত কৰে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত দক্ষিণ আফ্ৰিকাই ১৬ অভাৰ এটা বলতেই এটা উইকেট হেৰুৱাই ১৭৭ ৰানৰ বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৭৬ ৰান সংগ্ৰহ কৰে।

০০০০

জাৰ্মান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত ভাৰতৰ কিদাম্বি শ্ৰীকান্ত চীনা টাইপেৰ লীন চুন য়িৰ হাতত পৰাজিত হয়। ৩২ মিনিটজোৰা খেলখনত চীনা টাইপেৰ খেলুৱৈগৰাকীয়ে শ্ৰীকান্তক ১৪-২১, ৯-২১ গেমত পৰাভূত কৰে। কালিৰ এই পৰাজয়ৰ লগে লগে প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈৰ অভিযানৰো সামৰণি পৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ